**NSD NEWS UNIT**
ALL INDIA RADIO, GUWAHATI
0000000000

**Date :** 27-11-2024 **Time :** 1340 Hrs.

***Assamese Midday Bulletin***
***HEADLINES***

১। দেশৰ এটা আগশাৰীৰ ব্যৱসায়ী গোষ্ঠীৰ বিৰুদ্ধে উত্থাপিত উৎকোচৰ অভিযোগকে ধৰি বিভিন্ন বিষয়ক লৈ বিৰোধী পক্ষই সৃষ্টি কৰা হুলস্থুলীয়া পৰিস্থিতিৰ ফলত আজি সংসদৰ উভয় সদনৰ কাম-কাজ দিনটোৰ বাবে স্থগিত ৰাখিবলগীয়া হয়।

২। ৰাষ্ট্ৰপতি শ্ৰীমতী দ্ৰৌপদী মুৰ্মু, তেওঁৰ চাৰিদিনীয়া তামিলনাডু ভ্ৰমণসূচীৰ প্ৰথমটো পৰ্যায়ত আজি কইম্বাট'ৰত উপস্থিত হয়।

৩। কেন্দ্ৰীয় চৰকাৰৰ মহিলা আৰু শিশু উন্নয়ন মন্ত্ৰী অন্নপূৰ্ণা দেৱীয়ে আজি নতুন দিল্লীত দেশজোৰা বাল্য বিবাহ মুক্ত ভাৰত অভিযান আনুষ্ঠানিকভাৱে মুকলি কৰে।

৪। ইজৰাইলী চৰকাৰে হিজবুল্লাৰ সৈতে ঘোষণা কৰা যুদ্ধবিৰতি চুক্তি লেবাননত কাৰ্যকৰী হৈছে।

আৰু

৫। ইটালীৰ মণ্টেছিলৰানোত অনুষ্ঠিত ৮ বছৰ অনুৰ্ধৰ বিশ্ব কেডেট দবা প্ৰতিযোগিতাত ভাৰতৰ ডিৰিট ৰেড্ডীয়ে সোণৰ পদক অৰ্জন কৰিছে।

ooooooo

দেশৰ এটা আগশাৰীৰ ব্যৱসায়ী গোষ্ঠীৰ বিৰুদ্ধে উত্থাপিত উৎকোচৰ অভিযোগকে ধৰি বিভিন্ন বিষয়ক লৈ বিৰোধী পক্ষই সৃষ্টি কৰা হুলস্থুলীয়া পৰিস্থিতিৰ ফলত আজি সংসদৰ উভয় সদনৰ কাম-কাজ দিনটোৰ বাবে স্থগিত ৰাখিবলগীয়া হয়। প্ৰথমবাৰৰ বাবে কাম স্থগিত ৰখাৰ পাছত দিনৰ চাৰে ১১ বজাত উচ্চ সদন পুনৰ মিলিত হোৱাৰ সময়ত কংগ্ৰেছ, বাওঁ দল, ডি এম কে, টি এম চি, এছ পি, আপ আৰু আন বিভিন্ন দলে এই বিষয়সমূহ উত্থাপন কৰি সদনৰ কাম-কাজ ব্যাহত কৰাত সভাপতি জগদীপ ধনখড়ে কাৰ্যক্ৰমণিকা দিনটোৰ বাবে স্থগিত ৰাখিবলৈ বাধ্য হয়। ইয়াৰ পূৰ্বে পুৱা সদন মিলিত হোৱাৰ সময়ত দেশৰ এটা আগশাৰীৰ ব্যৱসায়ী গোষ্ঠীৰ বিৰুদ্ধে উত্থাপিত উৎকোচৰ অভিযোগ, মণিপুৰৰ সংঘৰ্ষ আৰু উত্তৰ প্ৰদেশৰ চম্ভলৰ ঘটনাৰ বাবে বিৰোধী পক্ষই সদন পৰিচালনাৰ ২৬৭ নম্বৰ নিয়মৰ অধীনত সভাস্থগিতকৰণৰ প্ৰস্তাৱৰ জাননী সভাপতিয়ে খাৰিজ কৰে।

বিগত ৩০ বছৰৰ ভিতৰত সদন পৰিচালনাৰ ২৬৭ নম্বৰ নিয়ম মাত্ৰ এবাৰহে কাৰ্যকৰী হোৱা বুলি উল্লেখ কৰি সভাপতিগৰাকীয়ে উচ্চ সদনত গঠনমূলক কাম-কাজ সম্পন্ন হোৱাৰ ক্ষেত্ৰত উদ্ভৱ হোৱা বাধা আঁতৰ কৰাৰ বাবে বিতৰ্ক আৰু আলাপ-আলোচনাৰ পৰিৱেশ সৃষ্টি কৰিবলৈ সদস্যসকলক আহ্বান জনায়। তেওঁ লগতে উচ্চ সদনৰ সভাপতিৰ আসনখনৰ পৰম্পৰাক সন্মান জনোৱাৰ বিষয়তো গুৰুত্ব আৰোপ কৰে। ইয়াৰ পাছতো বিৰোধী পক্ষৰ সাংসদসকলে হুলস্থুলীয়া পৰিস্থিতি অব্যাহত ৰখাৰ ফলত সদনৰ কাম-কাজ দিনৰ চাৰে ১১ বজালৈ স্থগিত ৰখা হয়।

একেদৰে প্ৰথমবাৰ স্থগিত ৰখাৰ পাছত দুপৰীয়া ১২ বজাত নিম্ন সদনৰ কাম-কাজ পুনৰ আৰম্ভ কৰা সময়তে কংগ্ৰেছ, সমাজবাদী পাৰ্টী, ডি এম কে, টি এম চি আৰু অন্যান্য দলৰ সাংসদসকলে সদনৰ মজিয়ালৈ উঠি আহি দেশৰ এটা আগশাৰীৰ ব্যৱসায়ী গোষ্ঠীৰ বিৰুদ্ধে উত্থাপিত উৎকোচৰ অভিযোগ আৰু

অন্যান্য বিষয়সমূহক লৈ শ্ল'গান দিবলৈ আৰম্ভ কৰে। এনে পৰিস্থিতিত সদন পৰিচালনাৰ দায়িত্বত নিয়োজিত সাংসদগৰাকীয়ে সদনৰ শৃংখলা ৰক্ষাৰ বাবে বাৰম্বাৰ আহ্বান জনোৱা সত্ত্বেও বিৰোধী পক্ষই তেওঁলোকৰ প্ৰতিবাদ অব্যাহত ৰাখে। ইয়াৰ ফলত সদনৰ কাম-কাজ দিনটোৰ বাবে স্থগিত ৰাখিবলগীয়া হয়।

ইয়াৰ পূৰ্বেই লোকসভাৰ কাম-কাজ পুৱা আৰম্ভ হোৱা সময়ত বিৰোধী পক্ষৰ সাংসদসকলে দেশৰ এটা আগশাৰীৰ ব্যৱসায়ী গোষ্ঠীৰ বিৰুদ্ধে উত্থাপিত উৎকোচৰ অভিযোগ, উত্তৰ প্ৰদেশৰ চম্বল আৰু মণিপুৰৰ হিংসাত্মক পৰিস্থিতিৰ বিষয়বোৰ উত্থাপন কৰি সদনৰ মজিয়াত থিয় হৈ প্ৰতিবাদ সাব্যস্ত কৰে। লোকসভাৰ অধ্যক্ষ ওম বিৰলাই সদনৰ কাম-কাজ সুচাৰুৰূপে চলোৱাত সহায় কৰিবলৈ সদস্যসকলক আহ্বান জনায়। সদনৰ প্ৰশ্নকালৰ পাছত এই সকলো বিষয় লৈ আলোচনা কৰা হ'ব বুলি তেওঁ নিশ্চয়তা দিয়াৰ পাছতো বিৰোধী সদস্যসকলে বিভিন্ন শ্ল'গানেৰে সদনৰ পৰিৱেশ উত্তাল কৰি তোলে। এনে পৰিস্থিতিত অধ্যক্ষই দুপৰীয়া ১২ বজালৈ সদন স্থগিত ৰাখিবলগীয়া হয়।

০০০০০০০০০

ৰাষ্ট্ৰপতি শ্ৰীমতী দ্ৰৌপদী মুৰ্মু, তেওঁৰ চাৰিদিনীয়া তামিলনাডু ভ্ৰমণসূচীৰ প্ৰথমটো পৰ্যায়ত আজি কইম্বাট'ৰত উপস্থিত হয়। কাইলৈ তেওঁ ৱেলিংটন উটিৰ প্ৰতিৰক্ষা সেৱাৰ পদাধিকাৰী মহাবিদ্যালয়ত আয়োজিত এটা অনুষ্ঠানত অংশগ্ৰহণ কৰিব। ৰাষ্ট্ৰপতিগৰাকীয়ে পৰহিলৈ আয়োজিত এটা অনুষ্ঠানত জনজাতীয় সম্প্ৰদায়ৰ লোকসকলৰ সৈতে মত বিনিময় কৰিব। ৰাষ্ট্ৰপতি শ্ৰীমতী মুৰ্মুৰ ভ্ৰমণৰ পৰিপ্ৰেক্ষিতত কইম্বাট'ৰ আৰু উটিৰ লগতে ইয়াৰ কাষৰীয়া এলেকাসমূহত নিৰাপত্তা ব্যৱস্থা কটকটীয়া কৰি তোলা হৈছে। উল্লেখযোগ্য যে পাহাৰীয়া এলেকাটোত বতৰৰ অৱস্থা প্ৰতিকুল হৈ থকাৰ পৰিপ্ৰেক্ষিতত ৰাষ্ট্ৰপতিগৰাকীয়ে স্থলপথেৰে উটিলৈ যাত্ৰা কৰিছে।

০০০০০০০০০

কেন্দ্ৰীয় চৰকাৰৰ মহিলা আৰু শিশু উন্নয়ন মন্ত্ৰী অন্নপূৰ্ণা দেৱীয়ে আজি নতুন দিল্লীত দেশজোৰা বাল্য বিবাহ মুক্ত ভাৰত অভিযান আনুষ্ঠানিকভাৱে মুকলি কৰে। এই অভিযানৰ মূল লক্ষ্য হ'ল – ভাৰতক এখন বাল্য বিবাহমুক্ত ৰাষ্ট্ৰ হিচাপে গঢ়ি তোলা। এই উপলক্ষে আয়োজিত অনুষ্ঠানত মন্ত্ৰীগৰাকীয়ে বাল্যবিবাহ মুক্ত ভাৰত পোৰ্টেলো মুকলি কৰে। সজাগতা সৃষ্টি, বাল্যবিবাহ ৰোধ আৰু এনে ঘটনাৰ বাতৰি তাৎক্ষণিকভাৱে জানিব পৰাত সহায়ক হোৱাকৈ এই পোৰ্টেলটো প্ৰস্তুত কৰা হৈছে।

০০০০০০০০০

ইজৰাইলী চৰকাৰে হিজবুল্লাৰ সৈতে ঘোষণা কৰা যুদ্ধবিৰতি চুক্তি লেবাননত কাৰ্যকৰী হৈছে। উভয় পক্ষৰ মাজত সম্পাদিত এই চুক্তিৰ বিষয়ে ইজৰাইলৰ প্ৰধানমন্ত্ৰী বেঞ্জামিন নেটান্যাহুৰ কাৰ্যালয়ে যোৱানিশা সদৰি কৰে। আমেৰিকা যুক্তৰাষ্ট্ৰ আৰু ফ্ৰান্সৰ মধ্যস্থতাত সম্পাদিত এই চুক্তিৰ ফলত লেবাননত শেহতীয়াকৈ প্ৰায় ৩ হাজাৰ ৮০০ গৰাকী লোকৰ প্ৰাণ হানি ঘটোৱা আৰু প্ৰায় ১৬ হাজাৰ গৰাকী লোক আহত হোৱা যুদ্ধখনৰ অৱসান ঘটিব বুলি আশা কৰা হৈছে।

চুক্তিখনৰ চৰ্ত অনুসৰি ইজৰাইলী আৰু হিজবুল্লা পক্ষই পৰৱৰ্তী ৬০ দিনৰ ভিতৰত দক্ষিণ লেবাননৰ পৰা তেওঁলোকৰ সামৰিক বাহিনী প্ৰত্যাহাৰ কৰিব লাগিব। পৰৱৰ্তী সময়ত লেবানিজ নেচনেল আৰ্মী আৰু ৰাষ্ট্ৰসংঘৰ শান্তিৰক্ষী বাহিনীয়ে এই অঞ্চলৰ নিৰাপত্তাৰ দায়িত্ব গ্ৰহণ কৰিব।

০০০০০০০০০

ইটালীৰ মণ্টেছিলৱানোত অনুষ্ঠিত ৮ বছৰ অনুৰ্ধ্বৰ বিশ্ব কেডেট দবা প্ৰতিযোগিতাত ভাৰতৰ ডিৱিট ৰেড্ডীয়ে সোণৰ পদক অৰ্জন কৰিছে। প্ৰতিযোগিতাৰ চূড়ান্ত খেলখনত তেলেংগানাৰ ৮ বছৰীয়া শিশু খেলুৱৈগৰাকীয়ে সৰ্বাধিক ১১ পইণ্টৰ ভিতৰত ৯ পইণ্ট অৰ্জন কৰি প্ৰতিদ্বন্দ্বী সাত্বিক ছোৱাইনৰ সৈতে সমতা স্থাপন কৰে যদিও উন্নত মানৰ টাইব্ৰেক স্ক’ৰৰ সহায়ত ডিৱিটে চূড়ান্ত বিজয়ীৰ সন্মান লাভ কৰিবলৈ সমৰ্থ হয়।

OOOOOOOOO

নতুন দিল্লীৰ ভাৰত মণ্ডপমত অনুষ্ঠিত ৪৩ সংখ্যক আন্তঃৰাষ্ট্ৰীয় বাণিজ্য মেলাৰ আজি সামৰণি পৰিব। Viksit Bharat @ 2047 শীৰ্ষক এই ১৪ দিনীয়া বাণিজ্য মেলাত আন্তঃৰাষ্ট্ৰীয় পৰ্যায়ত ভাৰতৰ অৰ্থনৈতিক আৰু সাংস্কৃতিক সমৃদ্ধিক প্ৰতিফলিত কৰা হৈছে। ঝাৰখণ্ডক মূল কেন্দ্ৰবিন্দু আৰু বিহাৰ আৰু উত্তৰ প্ৰদেশক সহযোগী ৰাজ্য হিচাপে লৈ আয়োজন কৰা এইবাৰৰ বাণিজ্য মেলাৰ প্ৰতি বিভিন্ন শ্ৰেণীৰ লোকৰ ব্যাপক সঁহাৰি পৰিলক্ষিত হয়। এই আন্তঃৰাষ্ট্ৰীয় বাণিজ্য মেলাত চীন, ইজিপ্ত, ইৰাণ, দক্ষিণ কোৰিয়া, থাইলেণ্ড, তুৰ্কী আৰু সংযুক্ত আৰব-আমিৰী ৰাষ্ট্ৰকে ধৰি ১১ খন দেশে অংশগ্ৰহণ কৰে।

OOOOOOOOO

ভাৰতৰ বতৰ বিজ্ঞান বিভাগে  ফেংগাল ঘূৰ্ণীবতাহৰ পৰিপ্ৰেক্ষিতত  প্ৰচণ্ড বৰষুণৰ সম্ভাৱনাৰ প্ৰতি লক্ষ্য ৰাখি তামিলনাডুৰ উপকূলীয় অঞ্চলত ৰেড এলাৰ্ট জাৰি কৰিছে। আকাশবাণী বাতৰিৰ  সৈতে হোৱা কথা-বতৰাত আই এম ডিৰ জ্যেষ্ঠ বিজ্ঞানী আৰ কে জেনামণীয়ে অন্ধ্ৰপ্ৰদেশৰ উপকূলীয় অঞ্চলসমূহত প্ৰবল বৰষুণৰ সম্ভাৱনা আছে বুলি প্ৰকাশ কৰে ।জোনমণীয়ে মাছমৰীয়া সকলক অহা তিনিদিনৰ ভিতৰত দক্ষিণ-পশ্চিম বংগোপসাগৰ ,  তামিলনাডু উপকূল আৰু দক্ষিণ অন্ধ্ৰপ্ৰদেশ উপকূলৰ ফালে নাযাবলৈ সকীয়নী দিছে ।

OOOOOOOOO

ৰাষ্ট্ৰীয় এণ্টি ড’পিং সংস্থা-নাডাই টকিঅ’ অলিম্পিকৰ ব্ৰঞ্জৰ পদক বিজয়ী ভাৰতীয় মল্লযোদ্ধা বজৰং পুনিয়াক তেওঁৰ তেজৰ নমুনা পৰীক্ষাৰ বাবে দিবলৈ অস্বীকাৰ কৰাৰ কাৰণে ৪ বছৰৰ বাবে নিলম্বিত কৰিছে। যোৱা ১০ মাৰ্চত ৰাষ্ট্ৰীয় দল নিৰ্বাচনৰ বাবে হোৱা অনুশীলনৰ সময়ত পুনিয়াই নিজৰ তেজৰ নমুনা পৰীক্ষাৰ বাবে দিবলৈ অস্বীকাৰ কৰিছিল আৰু ইয়াৰ বাবেই খেলুৱৈগৰাকীক প্ৰথমে ২৩ এপ্ৰিল পৰ্যন্ত নিলম্বিত কৰা হৈছিল। বিশ্ব মল্লযুদ্ধ সংস্থাইও পুনিয়াক ইতিমধ্যে নিলম্বিত কৰিছে। এই নিলম্বনৰ বিৰুদ্ধে বজৰং পুনিয়াই জনোৱা আবেদন নাডাই কালি প্ৰত্যাখ্যান কৰে আৰু ৪ বছৰৰ বাবে যিকোনো দেশীয় আৰু আন্তৰ্জাতিক প্ৰতিযোগিতাত ভাগ লোৱাৰ ক্ষেত্ৰত তেওঁৰ ওপৰত নিষেধাজ্ঞা আৰোপ কৰে।

OOOOOOO

সমাপ্ত